SET-4

Series JMS

Code No. **15**

Candidates must write the Code on the title page of the answer-book.

Roll No. | | | | | | | |

- Please check that this question paper contains **8** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **12** questions.
- **Please write down the Serial Number of the question before attempting it**.
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘন্টা* | *সৰ্বমুঠ নম্বৰ : 80*

*Time allowed : 3 hours* | *Maximum Marks : 80*

| | |
|---|---|
| SECTION A : Reading (Comprehension) | 15 marks |
| SECTION B : Writing | 25 marks |
| SECTION C : Grammar | 15 marks |
| SECTION D : Literature/Text Books | 25 marks |

## SECTION A

**1.** তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা –

মানৱ সভ্যতাত লিখাৰ কৌশল, অৰ্থাৎ, বৰ্ণমানলা আৰু লিখিত ভাষা আৱিষ্কাৰ হোৱাৰ পাছত মানুহে নিজৰ ভাৱ লিখিত ৰূপত প্ৰকাশ কৰাৰ সুবিধা পালে । লাহে লাহে মানুহে নিজৰ মনৰ ভাব-কথা, জীৱনৰ অভিজ্ঞতা, ঘটনা-কাহিনী আদি বিষয়ৰ কথা লিখি প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিলেই, ইয়াৰ পৰা কিতাপ বা গ্ৰন্থৰ জন্ম হয় । মানুহৰ জ্ঞান-বিজ্ঞান আৰু বিনোদনৰ ক্ষেত্ৰত যুগে যুগে কিতাপে এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে । ভল্টেয়াৰে কৈছিল, "কোনো বৰ্বৰ জাতিৰ বাহিৰে সমগ্ৰ ভূ-মণ্ডলৰ মানৱ জাতিক পৰিচালনা কৰে কিতাপে ।" একো একোটা জাতিৰ ভাষা-সাহিত্যৰ উন্নতিও কিতাপৰ যোগেদিয়েই জানিব পাৰি ।

কিতাপ পঢ়িলে জ্ঞান বাঢ়ে, মন বহুল হয়, বহু নজন্য কথা জানিব পাৰি । তদুপৰি দেশ-বিদেশৰ বিদ্বান লোকসকলৰ চিন্তা-ভাৱনা, সাহিত্য কৰ্মৰ লগত সম্পৰ্ক স্থাপন হয় । কিতাপে আজৰি সময়ত আনন্দ দিয়াৰ লগতে, একোখন ভাল কিতাপে মানুহৰ একোজন ভাল বন্ধুৰ দৰে লগ দিয়ে ।

কিতাপ পঢ়াৰ অভ্যাস একেদিনাই কৰিব নোৱাৰি । কিন্তু এবাৰ অভ্যাস হৈ গ'লে, অৰ্থাৎ পঢ়াৰ নিচা লাগিলে আমৰণ সেই নিচাৰ পৰা উদ্ধাৰ পাব নোৱাৰি । পাৰ্থক্য এটাই যে ৰাগিয়াল বস্তুৰ নিচাই মানুহক ধ্বংস কৰে; কিন্তু গ্ৰন্থৰ নিচাই মানুহৰ জ্ঞান-বুদ্ধিৰ উৎকৰ্ষ সাধনৰ লগতে আনন্দ বৰ্দ্ধনতো সহায় কৰে । চক্ৰেটিছে কৈছিল, নিৰল আনন্দ আৰু নিবিড় সুখানুভূতি লাভৰ বাবে ভগৱানে মানুহৰ কাৰণে এটা মাত্ৰ পথেই সৃষ্ঠি কৰি গ'ল – গ্ৰন্থ প্ৰেম । অন্য যিকোনো সাংসাৰিক উপভোগে এদিন নহয় এদিন আমাৰ পৰা বিদায় লয় । কিন্তু কিতাপৰ জ্ঞানে কোনো দিনেই আমাক এৰি নাযায় ।

নিয়মিত কিতাপ পঢ়াৰ অভ্যাস কৰিবলৈ আৰু কিতাপৰ ভাল-বেয়া বিচাৰ কৰিবলৈ কিছুমান নিয়ম আছে । ডঃ মাৰ্টিমাৰ এডলাৰ নামৰ আমেৰিকান পণ্ডিত এজনে কৈছিল – "নতুন কিতাপ এখন হাতত পৰিলেই এঘন্টামান সময় ওপৰে ওপৰে চকু ফুৰাই চাই স্থিৰ কৰিবলৈ চেষ্টা কৰিবা – কিতাপখন পঢ়িবৰ উপযোগী হয় নে নহয় । যদি দেখা যে কিতাপখন পঢ়ি শেষ কৰি পেলাবা । লেখকৰ

যুক্তি-তৰ্ক, পাদটীকা, উদ্ধৃতি, বিভিন্ন কিতাপৰ উল্লেখ একোলৈকে ভ্ৰূক্ষেপ নকৰিবা । কিতাপখনৰ মাজে মাজে যদি কঠিন বা দুৰ্বোধ্য অংশ পোৱা, সেইবোৰ বুজিবলৈ চেষ্টা নকৰি কেৱল পঢ়ি যাবা । এইদৰে কিতাপখন এবাৰ ওপৰে ওপৰে পঢ়ি লোৱাৰ পিছত কিতাপখনৰ বিষয়ে তোমাৰ এটা সাধাৰণ ধাৰণা হ'ব । এইদৰে কিতাপখন এবাৰ খৰ-ধৰকৈ পঢ়ি শেষ কৰি লোৱাৰ পিছত দ্বিতীয়বাৰ খুব লাহে-ধীৰে কিতাপখন পঢ়িবলৈ আৰম্ভ কৰিলে লেখকৰ প্ৰতিটো কথা বুজিবলৈ সহজ হয় । কিতাপখনৰ মূল কথাবোৰত দাগ দি যাবা, প্ৰত্যেক পৃষ্ঠাৰ কাষে কাষে টোকা লিখি যাবা আৰু কিতাপখনৰ শেষৰ ফালৰ খালি পাতকেইটাত গোটেই কিতাপখনৰ সাৰাংশ বা প্ৰধান বক্তব্যকেইটা লিখি পেলাবা ।" কিতাপত নুবুজা কিবা কথা থাকিলে আনৰ লগত আলোচনা কৰিলে ভাল । তদুপৰি কিতাপ এখন নিজে পঢ়াৰ লগতে ঘৰৰ আনসকলক, বন্ধু-বান্ধৱ আৰু ওচৰ-চুবুৰীয়াকো পঢ়োৱাবলৈ চেষ্টা কৰিলে ভাল ।

একোখন কিতাপ পঢ়িলে আনন্দ লাভ কৰাৰ লগতে মনৰো বিকাশ হয় । একো একোখন কিতাপত থকা মহৎ লোকৰ বাণীসমূহে জীৱনৰ গতি-পথ সলনি কৰি দিয়ে আৰু আদৰ্শ ব্যক্তি হোৱাত প্ৰেৰনা দি যাব পাৰে । জীৱনত এজন প্ৰকৃত মানুহ হ'ব পৰাটোৱেই সৱাতোকৈ প্ৰয়োজনীয় আৰু প্ৰধান কাম । আটাইতকৈ ডাঙৰ কথাটো হ'ল একোখন ভাল কিতাপৰ দৰে আজীৱন নিঃস্বাৰ্থ সংগী আৰু সৎ বন্ধু কোনোৱেই নাই, সেইবাবেই আমি কিতাপ বা গ্ৰন্থ পঢ়িব লাগে ।

(i) কিতাপ বা গ্ৰন্থৰ জন্ম কেতিয়া হয় ? *2*

(ii) কিতাপ পাঢ়িলে কি হয় ? *2*

(iii) কিতাপৰ নিচা আৰু ৰাগিয়াল বস্তুৰ নিচাৰ মাজত পাৰ্থক্য কি ? *2*

(iv) ডঃ মাৰ্টিমাৰ এড্‌লাৰে কিতাপ এখন কিয় দুবাৰ পঢ়াৰ ওপৰত গুৰুত্ব দিছে ? *2*

(v) মহৎ লোকৰ বাণীয়ে আমাৰ জীৱনত কেনেদৰে প্ৰভাৱ পেলায় ? *2*

(vi) কিতাপ সম্পৰ্কে ভল্টেয়াৰে কি মন্তব্য আগবঢ়াইছিল ? *2*

(vii) বিপৰীত অৰ্থবোধক শব্দ লিখা – বন্ধু *1*

(viii) সন্ধি ভাঙা – আৱিষ্কাৰ *1*

(ix) উপসৰ্গ বাচি উলিয়াই লিখা – দুৰ্বোধ্য *1*

## SECTION B

**2.** (ক) তলত দিয়া সংকেত বাক্যবোৰৰ আলমত গল্প লিখি, তাৰ শিৰোনামা দিয়াৰ লগতে গল্পটোৰ পৰা কি নীতিশিক্ষা পালা লিখা – *2+8+2=12*

ধাননিৰ মাজেৰে কনক আহিছিল __________ দূৰত এটা গঁড় দেখিলে __________ গঁড়টোৱে পকা ধান খাবলৈ আহিছিল __________ সি লৰালৰিকৈ গাঁৱত খবৰ দিলেগৈ __________ গাঁৱৰ মানুহে টিং বজাই শব্দ কৰিবলৈ ধৰিলে ____________ গঁড়টো লাহে লাহে পাহাৰৰ নামনিলৈ গুচি গ'ল...

**নাইবা**

(খ) তলত দিয়া যিকোনো ***এটা*** বিষয় লৈ দুশমান শব্দৰ ভিতৰত এখন ৰচনা লিখা – *12*

(i) অসমত পালন কৰা এটা উৎসৱ

(ii) অধ্যৱসায়

**3.** তোমাৰ বিদ্যালয়ত পালন কৰা "স্বাধীনতা দিৱস"ৰ দিনটোৰ বিষয়ে জনাই বাতৰিকাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । (বিদ্যালয়ৰ নাম সাংকেতিক আখৰত লিখিবা) *8*

**4.** তলত দিয়া যিকোনো ***এটা*** ফকৰা-যোজনাৰ ভাবাৰ্থ বুজাই লিখা – *5*

(ক) অধিক মাছত বগলী কনা

(খ) উদক ভেঁটা ৰখীয়া পতা

**নাইবা**

(গ) তোমাৰ পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কে জনাই তোমাৰ দেউতাৰালৈ এখন চিঠি লিখা । (চিঠিত তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা) ।

## SECTION C

**5.** (ক) "পৰিনাম" শব্দটোত থকা উপসৰ্গ বাচি উলিয়াই লিখা । *1*

(খ) "চোন" অনুসৰ্গ ব্যৱহাৰ কৰি এটা বাক্যৰচনা কৰা । *1*

(গ) ভাববোধক চিন (!) ব্যৱহাৰ কৰি এটা বাক্যৰচনা কৰা । *1*

(ঘ) এটা শব্দত প্ৰকাশ কৰা – *1*

যি ঈশ্বৰক বিশ্বাস নকৰে –

(ঙ) বিপৰীতাৰ্থক শব্দ লিখা – উৎকৃষ্ট *1*

(চ) লিংগ পৰিৱৰ্তন কৰা – তাঁৰে *1*

(ছ) শুদ্ধ উত্তৰটো লিখা – *1*

উলুৱনি – উলু + ৱনি/উলু + য়নি/উলু + অনি

(জ) সন্ধি ভাঙা – (যিকোনো ***দুটা***) *2*

(i) শংকৰ

(ii) জগদীশ

(iii) নমস্কাৰ

(ঝ) বাক্য শুদ্ধ কৰা – *2*

(i) গাড়ীখন ষ্টেচনত থামিছে ।

(ii) মই তাক ক্ষমা নিদিওঁ ।

(ঞ) বাক্য পৰিৱৰ্তন কৰা – *2*

(i) যদিও তাই পঢ়া-শুনাত ভাল তথাপি ব্যৱহাৰ বেয়া ।
(যৌগিক বাক্যলৈ)

(ii) যদি মোৰ কথামতে নচলা, তেনেহলে তুমি বিপদত পৰিবা ।
(সৰল বাক্যলৈ)

(ট) সমাৰ্থক শব্দ লিখা – (***এটাকৈ***) *2*

(i) ৰাতি

(ii) অগ্নি

## SECTION D

## (গদ্যভাগ)

**6.** তলত দিয়া যিকোনো ***দুটা*** প্ৰশ্নৰ উত্তৰ লিখা – *2×4=8*

(ক) আত্মাৰ ফলক কাঁচত প্ৰতিফলিত হ'ব নোৱাৰা সৃষ্টিত কোনো সূক্ষ্মতম পদাৰ্থই নাই । – কথাষাৰ বুজাই লিখা ।

(খ) দেখা যায় সকলোকে বান্ধি থোৱা এনাজৰীজল আছিল অসমীয়া ভাষা । – তাৎপৰ্য ব্যাখ্যা কৰা ।

(গ) "তাৰ আকৌ নিজৰ ওপৰতে খং উঠিল ।" – কাৰ কি কাৰণত, নিজৰ ওপৰতে খং উঠিল বুজাই লিখা ।

(ঘ) "সোতৰ শতিকাত বিভিন্ন কাৰণত সাধাৰণ মানুহৰ কাৰ্য আৰু চিন্তাতো বৈপ্লৱিক পৰিৱৰ্তন ঘটে ।" – তাৰ কেইটামান উদাহৰণ দাঙি ধৰা ।

**7.** চমু উত্তৰ লিখা – (যিকোনো ***এটাৰ***) *1×2=2*

(ক) একোখন মহাকাব্যৰ সৃষ্টি কেতিয়া হয় ?

(খ) চমুটোকা লিখা – ডাক

(গ) বৰুৱা ছাৰ বন্ধুৰ ল'ৰাৰ বিয়ালৈ কিয় লগ'ল ?

(ঘ) জীৱন জোৰা অধ্যয়ন, পৰ্যবেক্ষণৰ শেষত ক'পাৰ্নিকাছে কি দেখুৱাইছিল ?

## (পদ্যভাগ)

**8.** উত্তৰ লিখা – (যিকোনো ***এটা***) *1×4=4*

(ক) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা –

নতুন দিনৰ স্বপ্ন দুচকুত
ডেকা গাভৰুৰ
দুবাহুত শক্তিৰ সঞ্চয় ।

(খ) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা –

পাটৰ চেলেং গাত মেৰিয়াই
পাটমাদৈ চুঁচি-মাজি
জোৰোণ পিন্ধাব আহিল সুন্দৰী
পাট গাভৰুটি সাজি ।

(গ) শ্ৰী শ্ৰী মাধৱদেৱৰ বৰগীতটিৰ মূলভাৱ লিখা ।

(ঘ) সজাৰ মইনাটিৰ অনেক যুগুতি
দেও মাৰি পাৰ হলে এৰিলে পীৰিতি – ইয়াত “সজাৰ মইনা” বুলি কাক কৈছে বুজাই লিখা ।

**9.** চমু উত্তৰ লিখা – (যিকোনো ***দুটাৰ***) *2×2=4*

(ক) কি কি ভাষাৰ সংমিশ্ৰণেৰে ব্ৰজাৱলী ভাষাই এক স্বতন্ত্ৰৰূপ লাভ কৰিছে ?

(খ) কোনে, কিয় আজান ফকিৰৰ চকু কাঢ়িছিল ?

(গ) বহাগীৰ বিয়া উপলক্ষে ময়ুৰ আৰু পখিলাই কি কৰিছে ?

(ঘ) পাণিপথৰ প্ৰথম যুদ্ধ কাৰ কাৰ মাজত হৈছিল ? ইয়াৰ ফলাফল কি আছিল ?

**10.** এশাৰীত উত্তৰ দিয়া – (যিকোনো ***দুটাৰ***) *2×1=2*

(ক) মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা ৰচিত ঝুমুৰা এখনৰ নাম লিখা ।

(খ) শব্দ – অৰ্থ লিখা – ৰচুল

(গ) হেঁটুলুকা কি ?

(ঘ) “ওঙ্কাৰ ধাম” শব্দৰ দ্বাৰা কবিয়ে কি বুজাব বিচাৰিছে ?

## অতিৰিক্ত পাঠ

**11.** যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×2=2*

(ক) শাৰীৰিক, মানসিকভাৱে বাধাগ্ৰস্ত ব্যক্তিসকলৰ প্ৰতি আমাৰ মনোভাৱ কেনে হোৱা উচিত ?

(খ) প্ৰেৰণাই কি কাৰণে ৰাষ্ট্ৰপতিলৈ চিঠি লিখিবলৈ ইচ্ছা কৰিছিল ?

**12.** এশাৰীত উত্তৰ লিখা – *1×3=3*

(ক) জীনা বৰুৱাৰ গল্প সংকলনখনৰ নাম লিখা ।

(খ) প্ৰেৰণাই ক’ত যাওঁতে স্বহীদ বেদী দেখিছিল ?

(গ) আচৰিত ধৰণে প্ৰেৰণাৰ ইচ্ছা পূৰণ হ’লা – প্ৰেৰণাৰ কি ইচ্ছা পূৰণ হ’ল ?